بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উছায়েৰ বিন ৰিজামৰ ফালে আব্দুল্লাহ বিন ৰাবাহাৰ ফালৰ পৰা অভিযান আৰু উমৰু উমায়া জমৰীৰ অভিযানৰ প্ৰেক্ষাপটত হজৰত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৭ জানুৱাৰী ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি যি অভিযানৰ কথা উল্লেখ কৰা হ'ব, ইয়াৰ মাজৰ এটা হ'ল আব্দুল্লাহ বিন ৰাৱাহাৰ ফালৰ পৰা উছায়েৰ বিন ৰিজামৰ ফালে কৰা অভিযান। এই অভিযান শ্বৱাল মাহৰ ৬ হিজৰী তাৰিখত উছায়েৰ বা ইউছিৰ বিন ৰিজামৰ ফালে খায়বৰত সংঘটিত হৈছিল।

ইয়াৰ বিস্তাৰিত বিৱৰণত বৰ্ণনা কৰা হৈছে যে যেতিয়া আবু ৰাফে ছালাম বিন আবিল হাকিকক হত্যা কৰিছিল তেতিয়া ইহুদীসকলে উছায়েৰ বিন ৰিজামক নিজৰ আমিৰ নিযুক্ত কৰিছিল। তেওঁ ইহুদীসকলৰ মাজত থিয় হৈ বক্তব্য প্ৰদান কৰিলে যে মই সেই কাম কৰিম যি কাম মোৰ লগৰীয়াসকলৰ মাজৰ কোনেও কৰা নাই, মই গোতফান কবিলাৰ ফালে ৰাওনা হৈ সিহঁতক একত্ৰিত কৰি মহম্মদ (ছাঃ)ৰ ফালে আগবাঢ়ি গৈ তেওঁৰ ঘৰত সোমাই যাম। যেতিয়াই কোনোবাই নিজৰ শত্ৰুৰ ঘৰত সোমাই আক্ৰমণ কৰে তেতিয়া সি নিজৰ উদ্দেশ্যত কিছু পৰিমাণে সফল হৈ যায়। সেয়েহে তেওঁ গোতফান আৰু আন আন কবিলাৰ ফালে ৰাওনা হৈ সিহঁতক ৰছুলে কৰিম (ছাঃ)ৰ বিৰুদ্ধে যুদ্ধ কৰাৰ বাবে একত্ৰিত কৰিব ধৰিলে।

ইয়াৰ বিৱৰণত হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে লিখিছে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে এই সমূহ চক্ৰান্তৰ বিষয়ে সংবাদ পায় তেতিয়া আঁহজৰত (ছাঃ)য়ে তৎক্ষণাত নিজৰ এজন আনছাৰী চাহাবা আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ)ক লগতে আৰু তিনিজন চাহাবাক খায়বৰৰ ফালে ৰাওনা কৰিলে, আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ) আৰু তেওঁৰ লগৰীয়াসকলে তালৈ যায় আৰু গুপ্তভাৱে সকলো পৰিস্থিতিৰ

বুজ লয় লগতে  তথ্য যোগান ধৰি আৰু এইটো নিশ্চিতকৰণ কৰি যে এই খবৰ সঠিক হয় তাৰ পৰা উভতি আহে। সেই দিনবোৰতে এজন অমুছলিম ব্যক্তি খাৰজা বিন হুছাইল হঠাতে খায়বৰৰ পৰা মদিনালৈ আহি আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ)ৰ সত্যায়ন কৰে।
এই সত্যায়নৰ পিছত আঁহজৰত (ছাঃ)য়ে আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ)ৰ নেতৃত্বত ত্রিশজন চাহাবৰ এটা দল খায়বৰৰ ফালে ৰাওনা কৰে। খায়বৰত আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ) আৰু উছায়েৰ বিন ৰিজামৰ মাজত হোৱা কথা-বতৰাৰ পিছত এইটো স্পষ্ট হয় যে আঁহজৰত (ছাঃ)ৰ এইটো ইচ্ছা আছিল যে উছায়েৰক মদিনাত মাতি তেওঁৰ সৈতে কোনো এনেকুৰা বুজাবুজি (চুক্তি) কৰা যাওঁক যাতে বিদ্রোহৰ ধাৰাবাহিকতা বন্ধ হয়, আৰু দেশত শান্তি আৰু নিৰাপত্তাৰ বাতাবৰণ সৃষ্টি হয়। তেখেত (ছাঃ)য়ে এইটো কৰাৰ বাবেও প্রস্তুত আছিল যে উছায়েৰক যদি খায়বৰ অঞ্চলৰ আমিৰ নিযুক্ত কৰিব লাগে তথাপি নিযুক্ত কৰা হওঁক। উছায়েৰ যিজন বৰ উচ্চ আকাংক্ষী আছিল সম্ভৱত তেওঁৰ হৃদয়ত আন কোনো অভিপ্রায় গুপ্ত হৈ থাকিব পাৰে তেওঁ এই পৰামৰ্শ পছন্দ কৰিলে, তেওঁ এই পৰামৰ্শ তেওঁৰ পছন্দ বুলি প্রকাশ কৰিছিল। অৰ্থাৎ উছায়েৰ আব্দুল্লাহ বিন ৰাৱাহাৰ দলৰ সৈতে মদিনা যোৱাৰ বাবে প্রস্তুত হৈ গ'ল, তেওঁ আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ)ৰ নিচিনা ত্রিশজন ইহুদীক লগতে লৈ যায়। যেতিয়া এই উভয় দলে খায়বৰৰ পৰা ওলাই কিৰকিৰা নামৰ স্থানত গৈ পায় যি খায়বৰৰ পৰা ছয় মাইল দূৰত্বত অৱস্থিত আছিল, তেতিয়া উছায়েৰৰ উদ্দেশ্য পৰিৱৰ্তন হৈ যায় বা যদি তেওঁৰ নিয়ত আগৰে পৰাই বেয়া আছিল তেন্তে এইটো জানি লোৱা যে সেইটো প্রকাশ কৰাৰ সময় আহি গৈছে। সেই স্থানত বাটতে মুছলমান আৰু ইহুদী সকলৰ মাজত তৰোৱাল ধাৰণ হয়; উভয়ৰ দলৰ সংখ্যা সমান আছিল, ইহুদী সকলে আগৰে পৰাই এই ধাৰণা মস্তিষ্কত বহাই ৰাখিছিল যে মুছলমানসকল অনাকাংক্ষিত আছিল; খোদাৰ কৃপা এনেকুৰা আছিল যে কিছুমান মুছলমান যদিও ক্ষত হৈছিল কিন্তু কোনো প্রাণৰ হানি হোৱা নাছিল; কিন্তু আনপিনে সকলো ইহুদদীয়ে নিজৰ বিশ্বাসঘাতকতাৰ সোৱাদ লৈ মাটিৰ লগত মিলি যায়।
যেতিয়া চাহাবা (ৰাঃ) সকলৰ এই দল মদিনালৈ গৈ পায়, আৰু আঁহজৰত (ছাঃ)য়ে সকলো পৰিস্থিতিৰ কথা গম পায় তেতিয়া তেখেত (ছাঃ)য়ে মুছলমান সকলক নিৰাপদে ৰক্ষা পোৱাৰ বাবে আল্লাহ তা'লাৰ কৃতজ্ঞতা জ্ঞাপন কৰি কয়,তোমালোকে ধন্যবাদ জ্ঞাপন কৰা যে খোদা তা'লাই তোমালোকক এই অত্যাচাৰী দলৰ পৰা মুক্তি প্রদান কৰিছে। এই ঘটনা সন্দৰ্ভত কিছুমান খ্রীষ্টান ইতিহাসবিদে এই আপত্তি উত্থাপন কৰে যে আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ)য়ে উছায়েদ আদি সকলক খায়বৰৰ পৰা এই উদ্দেশ্যে উলিয়াই লৈ আহিছিল যে বাটতে সুযোগ লৈ সিহঁতক হত্যা কৰি পেলাব; কিন্তু যিদৰে উল্লেখ কৰিছোঁ যে ইতিহাসত এই কথাৰ কোনো প্রমাণ পোৱা নাযায় যে মুছলমান সকলে এই উদ্দেশ্যেৰে তাতে গৈছিল; যদি গভীৰ চিন্তা-ভাৱনা কৰা হয় তেন্তে আন সাক্ষীৰ কেৱল আব্দুল্লাহ বিন উনেয়ছ (ৰাঃ)ৰ এই শব্দাৱলী আছে যে হে খোদাৰ শত্রু ! বিশ্বাসঘাতকতাৰ পৰিণাম কি ? আকৌ আঁহজৰত (ছাঃ)ৰ এই শব্দাৱলী যে ধন্যবাদ জ্ঞাপন কৰা যে তোমালোকক এই অত্যাচাৰী জাতিৰ পৰা খোদা তা'লাই ৰক্ষা কৰিছে, এই ঘটনা প্রমাণ কৰাৰ বাবে ইমানে যথেষ্ট যে মুছলমান সকলৰ নিয়ত পৰিস্কাৰ আৰু শান্তিপূৰ্ণ আছিল।
আকৌ উমৰু বিন উমায়া জমৰীৰ অভিযান আবু ছুফিয়ানৰ ফালে গৈছিল। ইবনে হিশাম, ইবনে কাছিৰ আৰু তিবৰীয়ে এই ঘটনাটো  ৰজিয়াৰ পিছত চাৰি হিজৰীত হোৱা বুলি বৰ্ণনা কৰিছে, কিন্তু ইবনে ছাআদ আৰু জিৰকানিয়ে এই অভিযান ছয় হিজৰীত হৈছে বুলি বৰ্ণনা কৰিছে। হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে ছিৰাত খাতামান নাবিঈনত এই অভিযানক ছয় হিজৰীত হোৱা বুলি বৰ্ণনা কৰিছে।
এই অভিযানৰ বিস্তাৰিত বিৱৰণ এনেদৰে যে আবু ছুফিয়ানে কুৰাইছ সকলৰ কিছু সংখ্যক মানুহক

কৈছিল যে তোমালোকৰ মাজত এনেকুৱা কোনো ব্যক্তি নাই যিজনে হজৰত মহম্মদ (ছাঃ)ক হঠাতে হত্যা কৰি পেলাব যেতিয়া বজাৰত ঘূৰি ফুৰে। সেয়ে আবু ছুফিয়ানৰ ওচৰত বেদুইন লোকৰ এজন ব্যক্তি তেওঁৰ (আবু ছুফিয়ানৰ) ঘৰলৈ আহি কয় যে যদি তুমি মোৰ সহায় কৰা তেন্তে মই তেওঁৰ (মহম্মদ ছাঃ)ৰ ফালে যাওঁ আৰু হঠাতে তেওঁৰ ওপৰত আক্ৰমণ কৰি দিওঁ। মোৰ ওচৰত এটা ডেগাৰ আছে যিটো শগুণৰ ডেউকাৰ দৰে, সেইটোৰ দ্বাৰা মই মহম্মদ (ছাঃ)ৰ ওপৰত আক্ৰমণ কৰিম। ইয়াৰ পিছত মই কোনো কাফলাৰ মাজত মিলিত হৈ যাম আৰু তাৰ পৰা পলায়ন কৰি গুচি যাম, কাৰণ মই ৰাস্তাৰ বিষয়ে বৰ পাকৈত। সেয়ে আবু ছুফিয়ানে তেওঁক উট আৰু বাটৰ বাবে কিবা সা-সামগ্ৰী দিলে। তেওঁ ৰাতি ওলাই আহি মদিনা গ'ল আৰু ৰছুলুল্লাহ (ছাঃ)ৰ বিষয়ে সুধিলে, তেওঁক তেখেত (ছাঃ)ৰ সন্দৰ্ভত কোৱা হ'ল, তেতিয়া তেওঁ নিজৰ উটটো বান্ধি তেখেত (ছাঃ)ৰ দিশে আগবাঢ়ি গ'ল তেতিয়া তেখেত (ছাঃ)য়ে বনু আব্দুল আশ্বহলৰ মছজিদত আছিল।

নবী কৰিম (ছাঃ)য়ে তেওঁক দেখা পাই কলে যে এই মানুহজন নিশ্চয় প্ৰৱঞ্চনাৰ উদ্দেশ্যে আহিছে। আল্লাহ তা'লাই তেওঁৰ আৰু তেওঁৰ উদ্দেশ্যৰ মাজত আঁৰ বনাই দিছে। তেওঁ তেখেত (ছাঃ)ৰ ওপৰত আক্ৰমণ কৰাৰ বাবে আগবাঢ়িল, তেতিয়া উছায়েদ বিন হুজায়েৰে তেওঁৰ চাদৰৰ ভিতৰৰ অংশ ধৰি টানিলে যাৰ ফলত তেওঁৰ হাতৰ পৰা তৰোৱালখন হঠাতে পৰি যায়, আৰু তেওঁ চিঞৰ-বাখৰ কৰিব ধৰিলে যে মোৰ হত্যা, মোৰ হত্যা! অৰ্থাৎ মোৰ প্ৰাণ ৰক্ষা কৰা। হজৰত উছায়েদে তেওঁৰ ডিঙিত ধৰিলে, তাৰ পিছত এৰি দিলে, ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁক কলে যে মোক সঁচাকৈ কোৱা তুমি কোন হয় ? তেওঁ কলে যে মই নিৰাপত্তা বিচাৰো। তেখেত (ছাঃ)য়ে কলে যে ঠিক আছে, তেওঁ নিজৰ কাম আৰু আবু ছুফিয়ানে কি কাৰণে তেওঁক নিযুক্ত কৰিছিল সেই বিষয়ে কলে, তেতিয়া তেখেত (ছাঃ)য়ে তেওঁক এৰি দিলে, এই দয়াৰ ফলত তেওঁ মুছলমান হৈ গ'ল।

আবু ছুফিয়ানৰ এই হত্যাৰ ষড়যন্ত্ৰই এই কথাৰ প্ৰতি অৰ্থাৎ মক্কাবাসী সকলৰ উদ্দেশ্য আৰু নিয়তৰ বিষয়ে আৰু অধিক (মুছলমানসকলক) সতৰ্ক কৰি দিলে। সেয়েহে তেখেত (ছাঃ)য়ে নিজৰ দুজন চাহাবা উমৰু বিন উমায়া জামৰী আৰু ছালমা বিন আছলমক মক্কাৰ ফালে ৰাওনা কৰি আবু ছুফিয়ানৰ হত্যাৰ ষড়যন্ত্ৰ আৰু আগতে হোৱা হত্যাৰ কাৰ্যকলাপৰ প্ৰতি দৃষ্টিগোচৰ হৈ তেওঁলোকক অনুমতি প্ৰদান কৰিলে যে সুযোগ বিচাৰি ইছলামৰ এই শত্ৰুক নিঃশেষ কৰি পেলাব। যেতিয়া উমায়া আৰু তেওঁৰ লগৰীয়াই মক্কা গৈ পায় তেতিয়া কুৰাইছ সকলে সতৰ্কতা অৱলম্বন কৰিছিল, আৰু দুয়ো চাহাবা নিজৰ প্ৰাণ ৰক্ষা কৰি মদিনা উভতি আহে। বাটতে তেওঁলোকে কুৰাইছৰ দুজন গুপ্তচৰক সাক্ষাৎ পায় যিসকলক কুৰাইছৰ নেতাই মুছলমান সকলৰ পৰিস্থিতিৰ বিষয়ে আৰু আঁহজৰত (ছাঃ)ৰ পৰিস্থিতিৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ বাবে পঠিওৱা হৈছিল। কোনো আশ্চৰ্যৰ বিষয় নহয় যে কুৰাইছ সকলৰ এই ষড়যন্ত্ৰ কোনো হত্যাৰ বাবেই আছিল। কিন্তু খোদাৰ দয়া যে উমায়া আৰু আৰু ছালমাই তেওঁলোকৰ চোৰাংচোৱাৰ ঠিকনা গম পাই গৈছিল, যাৰ ফলত সেই গুপ্তচৰৰ ওপৰত আক্ৰমণ চলায়, এই যুদ্ধত এজন গুপ্তচৰক হত্যা কৰা হয় , আৰু আনজনক কয়েদ কৰি নিজৰ লগতে লৈ মদিনালৈ উভতি আহে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বাকী বৰ্ণনা ইনশা আল্লাহ আগলৈ চলি থাকিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কয় যে পাকিস্তানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি থাকো, তাতে কেতিয়াবা বহুত বেছি কঠোৰতা প্ৰয়োগ কৰা হয়। এনে অনুভৱ হয় যে প্ৰশাসন আৰু চৰকাৰ উগ্ৰপন্থী মৌলবী সকলৰ হাতত পুতলা হৈ আছে। প্ৰথমে এই খবৰ পোৱা গৈছিল যে মছজিদৰ মিনাৰ আৰু মেহৰাব ভাঙি পেলোৱা হৈছে, কিন্তু এতিয়া

ডাছকাত কালি সিহঁতে ৰাস্তা নিৰ্মাণ কৰাৰ অজুহাত উত্থাপন কৰি নোটিচ প্ৰেৰণ কৰিছে যে ইমান ঠাই আমি লৈ ল'ম আৰু তাতে বুলডোজৰ চলাই সেই ঠাইখিনি পৰিষ্কাৰ কৰিম বুলি এই আপত্তি উত্থাপন কৰিছে। নোটিছ অনুসৰি মছজিদৰ অলপ অংশ অৰ্থাৎ গোচলখানাৰ অংশ আহি গৈছিল, কিন্তু যেতিয়া বুলডোজৰ লৈ আহে তেতিয়া মৌলবীসকলৰ নিৰ্দেশ অনুসৰি গোটেই মছজিদখন ভাঙি পেলাই শ্বহীদ কৰি দিয়ে। এই মছজিদখন পুৰণি আছিল, বিভাজনৰ আগতে নিৰ্মাণ কৰা হৈছিল, সম্ভৱত জাফৰুল্লাহ খান চাহাবে নিৰ্মাণ কৰিছিল। কিন্তু আজিকালি  তেওঁলোকে সীমা চেৰাই গৈছে। আল্লাহ তা'লা অতি সোনকালে সিহঁতক গ্ৰেপ্তাৰ কৰাৰ সঁজুলি সৃষ্টি কৰক। সিহঁতৰ চক্ৰান্ত সিহঁতৰ ওপৰতেই পৰক। সেয়ে আহমদীসকলে বিশেষকৈ পাকিস্তানৰ আহমদী সকলে অধিক বেছি দোৱা কৰা উচিত, এইফালে মনোযোগ দিব।

এইদৰে পেলেষ্টাইন সন্দৰ্ভত যি চুক্তি হৈ আছে কোনোবাই কৈ আছে যে চুক্তি হৈ গৈছে, কেতিয়াবা কোৱা হয় যে হোৱা নাই বা চুক্তিৰ পিছতেই আকৌ ঘটনা সংঘটিত হৈ আছে, এই কথা শুনি কিছুমান লোকসকলে বিনা কাৰণে আনন্দ উপভোগ কৰি আছে। কিন্তু সিহঁতে বুজা উচিত যে দাজ্জালী শক্তিৰ ওপৰত কোনো ভৰসা কৰা নাযায়। ইহঁতে কয় এটা, কৰে আন এটা। সেয়েহে খুব বেছি অনৰ্থক আনন্দ উপভোগ কৰা ঠিক নহয়। এওঁলোকৰ বাবে দোৱা কৰা উচিত আৰু মুছলমান সকলে বিবেক-বুদ্ধিৰে কাম কৰি নিজৰ অধিকাৰ সংৰক্ষণৰ বাবে প্ৰয়াস কৰা উচিত। আল্লাহ তা'লা মুছলমান জাতিক বিবেক-বুদ্ধি দান কৰক। আমীন-

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে তিনিজন মৰহুমিন প্ৰথম শেখ মোবাৰক আহমদ চাহাব (নাজিৰ দিৱান ছদৰ আঞ্জুমান আহমদীয়া ৰাবৱা), দ্বিতীয় মাননীয় মুনিৰ ইদলবী চাহাব কাতৰ আৰু তৃতীয় মাননীয় আব্দুল বাৰি তাৰিক চাহাব (ইনচাৰ্জ কম্পিউটাৰ ছেক্সন ওৱাকফে জাদিজ ৰাবৱা)ৰ সদগতি উল্লেখ কৰি তেখেত সকলৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 17 JANUARY 2025**

# BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................
.......................................................................................................................
.......................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB